# ঈশ্বৰে কৰিবলৈ কোৱা দৰে ল'ৰা-ছোৱালীক শিক্ষা দিয়ক


ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন T1b পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** হে প্ৰভু আপোনাক প্ৰেম কৰিবলৈ আৰু আপোনাৰ বাধ্য হবলৈ আৰু নিজৰ পৰিয়াল আৰু বন্ধুবৰ্গৰ লগত সদ্‌ভাব ৰাখিবলৈ আমাৰ লৰা-ছোৱালীবিলাকক সহায় কৰক।

**১। ঈশ্বৰৰ বাক্যৰ দ্বাৰা লৰা-ছোৱালীৰ শিক্ষকক প্ৰস্তুত কৰক।**

**লৰা-ছোৱালীক কোনে শিকোৱা উচিত** বিশেষকৈ পিতৃ-মাতৃয়ে লৰা-ছোৱালীক খ্ৰীষ্টক অনুসৰণ কৰা প্ৰেমেৰে শিকোৱা আৰু শাসন কৰা উচিত।

- ইয়োবৰ দৰে প্ৰাৰ্থনা আৰু লৰা-ছোৱালীক ঈশ্বৰৰ বাক্য কোৱা, খ্ৰীষ্টিয়ান পৰিয়ালবিলাকৰ সদায় পাৰিবাৰিক প্ৰাৰ্থনাৰ সময় থকা উচিত।
- **ইফিচীয়া ৬:৪** পদে পিতৃসকলক কি কৰিবলৈ কয়?
- **হিতোপদেশ ২৩:১৩** পদে পিতৃসকলক কি কৰিবলৈ কয়?



- লৰা-ছোৱালীবিলাকে আন আন লৰা-ছোৱালীক উপযুক্তভাৱে শিকোৱা দৰ্কাৰ।




- খ্ৰীষ্টিয়ান বন্ধুবৰ্গ আৰু সম্বন্ধীয় লোকে সপ্তাহটোত লৰা-ছোৱালীক, বাইবেলৰ গল্প কবলৈ, প্ৰাৰ্থনা কৰিবলৈ আৰু তেওঁলোকে কৰা বিষয়ে শুনিবলৈ শিকোৱাত সহায় কৰা উচিত।





- চলাওঁতাসকলে পৌল তীমথিয়ৰ অধ্যয়ন শিক্ষকসকলক দিব পাৰে, আৰু বয়সীয়া সকলৰ বাবে পৰিৱেশন কৰিবলগীয়া খিনি উপাসনা সময়ৰ কিছু আগেয়ে ব্যৱস্থা কৰি লব।

## লৰা-ছোৱালীক শিকোৱা প্ৰণালীবোৰ


- বহু আগেয়ে ভালদৰে প্ৰস্তুত হোৱা।
- গল্পবোৰ কোৱা, আৰু লৰা-ছোৱালীক নাটক কৰি দেখুৱাবলৈ দিয়া।




- প্ৰত্যেক লৰা-ছোৱালীৰ বাবে **প্ৰাৰ্থনা কৰক**। ঈশ্বৰে লৰা-ছোৱালীৰ কাৰণে চিন্তা কৰে। বাইবেল শাস্ত্ৰই এই কথা প্ৰায়ে কয়।
- উপাসনাৰ প্ৰকৃত চলাওঁতাই মণ্ডলীৰ উপাসনাৰ সময়ত লৰা-ছোৱালীকো অন্তৰ্ভুক্ত কৰে যিদৰে মোচি, যিহোৱা আৰু ইজ্ৰাই কৰিছিল কেৱল শুনোতা মাথোন নহৈ বয়সীয়া সকলৰ লগত একেলগে কামো কৰিছিল। পৌল তীমথিয়ৰ লৰা-ছোৱালীৰ অধ্যয়নে তেওঁলোকৰ কৰিবলগীয়া কাম প্ৰস্তুত কৰা আৰু বয়সীয়া সকলক প্ৰদৰ্শন কৰা।
- বিশ্বাসীসকলে খেলা ধূলা পিকনিক, জন্মদিন আদি বিষয় আৰু **বন্ধ দিনবোৰ** লৰা-ছোৱালীয়ে ভাল পায়। বন্ধ দিন পালন কৰা বিষয়ে জানি তেওঁলোকে আনন্দিত হয়। ঈশ্বৰে বন্ধৰ দিনবোৰ আৰু স্মৰণৰ দিনবোৰ স্থাপন কৰিলে, যাতে লৰা-ছোৱালীয়ে তেওঁৰ মহান কাৰ্য্য কথা পাহৰি নাযায়। (যিহোচুৱা ৪:১-৭, যাত্ৰাপুস্তক ১২:২৪-২৭)।
- লৰা-ছোৱালীয়ে ভাল পোৱা কামত **ব্যস্ত** ৰাখক। সিহঁতে বস্তুবোৰ বনাবলৈ ভাল পায়।




- সিহঁতে কিবা **বনাবলৈ ভাল পায়**।
- ঈশ্বৰক ভয় কৰিবলৈ আৰু ভাল পাবলৈ লৰা-ছোৱালীক শিকাওঁক (দ্বিতীয় বিৱৰণ ৪:১০, ৬:৪-৭ গীতমালা ৩৪:১১, ১১১:১০)
- পবিত্ৰ আত্মাই লৰা-ছোৱালীক তেওঁলোকৰ পাপৰ বিষয়ে পতিয়ন নিয়াওঁতে, বিশ্বাসেৰে খ্ৰীষ্টৰ ক্ষমা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰক।
- লৰা-ছোৱালীয়ে বিশেষকৈ সৰু সৰু বিলাকে ঘনাই কোৱা, কৰি দেখুওৱা আৰু হুলস্থুল ভাল পায়। উদাহৰণ স্বৰূপে আপুনি যদি কয় ইচহাকৰ কন্যা ৰিবেকাই গাধৰ পিঠিত উঠি আহিছিল, আপুনি কব পাৰে, শুনাচোন, গাধই খোজ কাঢ়োতে তাৰ খুৰাৰ শব্দ কল্প ! কল্প ! কল্প ! এতিয়া গাধৰ দৰে আপোনাৰ মূৰতো তল ওপৰ কৰক।
- শিক্ষক লৰা-ছোৱালীৰ মাক-দেউতাকৰ লগত ভাল সম্বন্ধ গঢ়ি তোলা উচিত।
- লৰা-ছোৱালীক মৰমেৰে কিন্তু নিশ্চয়তাৰে শাসন কৰক।




- লৰা-ছোৱালীক গালি দিয়াতকৈ প্ৰশংসা কৰিলে ভালদৰে থাকে।

**২। সপ্তাহটোত কৰিব লগা বিষয়বোৰৰ আঁচনি সহকৰ্ম্মীসকলৰ লগত কৰক।**

- যদি বিশ্বাস কৰা পিতৃ-মাতৃৰ ঘৰত পাৰিবাৰিক উপাসনাৰ সময় নাই তেনেহলে তেওঁলোকৰ ঘৰলৈ গৈ প্ৰাৰ্থনা সময় আৰম্ভ কৰাত সহায় কৰক।
- শিক্ষকৰ পৰিচৰ্য্যা কৰা বিশ্বাসীসকলক পৰিদৰ্শন কৰক, আৰু এই নিৰ্দেশনা বিলাক তেওঁলোকক বৰ্ণনা কৰক। সম্ভৱ

হলে অধিক অভিজ্ঞ শিক্ষকৰ লগত কাম কৰিবলৈ দি নতুন শিক্ষকবিলাকক প্ৰশিক্ষণ দিয়ক।

**৩। সহ-কৰ্ম্মী সকলৰ লগত হবলগীয়া উপাসনাৰ আঁচনি কৰক।**

মাৰ্ক ৪:১-২০ পৰা মাটিৰ বিষয়ে **যীচুৰ দৃষ্টান্ত কওঁক**। ব্যাখা কৰক যে ঈশ্বৰে ইচ্ছা কৰাৰ দৰে ঈশ্বৰৰ বাক্য শিকিবলৈ আমি...

১। চকু আৰু কাণেৰে গ্ৰহণ কৰিব লাগিব।

২। আমাৰ আত্মাত ইয়াৰ শিপা গজিব লাগিব।

৩। ইয়াৰ ফল ফলিব লাগিব।

এই কথাবোৰ শিকাত যীচুৰে কোৰা প্ৰতিবন্ধক হোৱা বিষয়বোৰ মনত পেলাবলৈ বিশ্বাসী সকলক কওঁক।

**পিতৃ-মাতৃয়ে** লৰা-ছোৱালীক কিয় **শিকাব লাগে ব্যাখা কৰক**। ইয়াকে কৰিবলৈ ওপৰত দিয়া নিৰ্দ্দেশনাবিলাক বৰ্ণনা কৰক।

**লৰা-ছোৱালীয়ে প্ৰস্তুত কৰা** বিষয়বোৰ **পৰিবেশন** কৰিবলৈ দিয়ক।

খ্ৰীষ্টে তেওঁলোকলৈ কি কৰিলে তাৰে সাক্ষ্য, আৰু বিশেষকৈ যদিহে তেওঁলোকে যীচুক তেওঁলোকৰ প্ৰভু বুলি বিশ্বাস কৰিলে তাৰ সাক্ষ্য দিবলৈ **বয়সীয়া আৰু ডাঙৰ লৰা-ছোৱালীক** কওঁক।

**প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ দ্বিতীয় বিৱৰণ** ৬ : ৪-৭ পঢ়ক। যীচুৰ আজ্ঞা ও পিঠা ভঙা কাৰ্য্য পালন কৰিবলৈ লৰা-ছোৱালীক শিকোৱা কথা ব্যাখা কৰক।

**দুই বা তিনিজনীয়া দলত একেলগে হৈ কথা বতৰা পাতক**। ইজনে সিজনৰ নিমিত্তে প্ৰাৰ্থনা কৰক আৰু লৰা-ছোৱালীৰ বাবে অধিক শিক্ষাৰ কাৰ্যবোৰ দিয়াৰ আঁচনি কৰক।

দ্বিতীয় বিবৰণ ৬:৬-৭ একেলগে **মুখস্থ কৰক**।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net